স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

□ ত্ৰয়োদশ বছৰ □ সংখ্যা ৫৫ □ সোমবাৰ □ ১৭ ব'হাগ ১৯৪৫ শক □ ১ মে' ২০২৩ চন □ VOL-13 □ NO-55 □ MONDAY 1 MAY 2023

### বেষ্ট গুৱাহাটী কলেজ অব এডুকেচন

## দুৰ্যোগ প্ৰশমনৰ সজাগতা সভা সম্পন্ন

মহানগৰ বাৰ্তা, আজাৰা, ৩০ এপ্ৰিল : বেষ্ট গুৱাহাটী কলেজ অব এডুকেচনত আৰু পাণ্ডু মহাবিদ্যালয়ৰ সহযোগত অলপতে পাণ্ডুৰ টেম্পলঘাটিত থকা অগ্নি নিৰ্বাপণ বাহিনীয়ে দুৰ্যোগ নিবাৰণমূলক সজাগতা সভা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত কৰে। অগ্নিনিৰ্বাপক বাহিনীৰ মুখ্য কাৰ্যবাহী বিষয়া নবজিৎ নাথে সভাষনত দুৰ্যোগ যেনে- জুই, ভূমিকম্প আদি সংঘটিত হ'লে কেনেকৈ আমি কেনেধৰণৰ ব্যৱস্থাপনাৰ দ্বাৰা উপশম কৰাব পাৰি বা এনে দুৰ্যোগসমূহৰ সন্মুখীন হ'লে আমি আন ব্যক্তিসকলক কেনেধৰণে সহায় কৰিব পৰা যায়, তাৰ ওপৰত এক সুমধুৰ বক্তৃতা দিয়ে। প্ৰশিক্ষাৰ্থীসকলৰ লগত মত বিনিময়ৰ মাধ্যমেৰে নাথে অনাগত ভৱিষ্যতত কিধৰণে জনগণৰ মাজত দুৰ্যোগ উপশমৰ সজাগতা আনিব পৰা যায়, তাকো তেওঁ উল্লেখ কৰে। তাৰ পিছত অধিনিৰ্বাপক বাহিনীৰ এছআৰডিএফৰ সদস্যসকলে মকড্ৰিলৰ মাধ্যমেৰে গেছৰ চিলিণ্ডাৰত জুই লাগিলে কেনেদৰে নুমুৱাব পাৰি, আঘাতপ্ৰাপ্ত ব্যক্তিক কেনেদৰে উঠাব লাগে, সাপে দংশন কৰিলে কোন ঠাইত কেনেধৰণে প্ৰাথমিক চিকিৎসা প্ৰদান কৰিব লাগে, হৃদযন্ত্ৰ বন্ধ হ'লে কেনেদৰে কৃত্ৰিমভাৱে উশাহ-নিশাহ প্ৰদান কৰিব লাগে ইত্যাদিবোৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত দেখুৱায় আৰু ছাত্ৰ-ছাত্ৰীসকলকো তেনেবোৰ কৌশল দেখুৱাবলৈ অনুপ্ৰাণিত কৰে।

Fire Hazard Awareness Camp
On 24th April, 2023